# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-02-2026 **Time :** 1100 Hrs.

0000000000

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৱাত আৰম্ভ কৰিব। প্ৰথম পৰ্যায়ত ১০৩ খন বাগিচাত ভূমি পট্টা প্ৰদান কৰা হ'ব। দিনজয় চাহ বাগিচাৰ খেল পথাৰত হ'বলগীয়া এই কাৰ্যসূচীত ড° শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোবস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰিব। এই বন্দোবস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৫ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে।

0000000

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সমষ্টিৰ অন্তৰ্গত দোহালিয়া আৰু বাদশ্বাহী সংৰক্ষিত বনাঞ্চলৰ অবৈধভাৱে দখলীকৃত ভূমিত আজিও প্ৰশাসন আৰু বন বিভাগৰ উচ্ছেদ অভিযান অব্যাহত আছে। আমাৰ সংবাদদাতাই জনোৱা মতে বনাঞ্চলৰ প্ৰায় এহেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে। অঞ্চলটোত বসবাস কৰা ৯৯৫ টা পৰিয়াললৈ ইতিপূৰ্বে জাননী জাৰি কৰা হৈছিল। জাননী লাভ কৰাৰ পাছতে অধিকাংশ লোকে স্বেচ্ছাই সেই স্থান পৰিত্যাগ কৰে। বাকী থকা পৰিয়ালসমূহ উচ্ছেদ কৰাৰ বাবে অভিযান চলোৱা হৈছে। তিনি দিনৰ ভিতৰত উচ্ছেদ অভিযান সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে। এই সন্দৰ্ভত সবিশেষ জনাইছে শ্ৰীভূমিৰ পৰা আমাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে।

বাইট

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই অসম আৰু মহাৰাষ্ট্ৰৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক উন্নত কৰা সন্দৰ্ভত আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰী সিন্দেক তেওঁৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে।

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত  কাইলৈ বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে দলাইগাঁৱৰ উত্তৰ বঙাইগাঁও মিনি ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। বঙাইগাঁও জিলাৰ এহেজাৰ ৭৬৭ গৰাকী, ধুবুৰীৰ দুহেজাৰ ৯৪৯

গৰাকী, গোৱালপাৰাৰ দুহেজাৰ ৩৫২ গৰাকী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৩০৫ গৰাকী উদ্যোগী ব্যক্তিলৈ এই আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ দুই লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

০০০০০০০

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে কাইলৈ ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত বৰুৱা উপস্থিত থাকিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত কাইলৈ বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ থাকিব।

০০০০০০০

**সমাপ্ত**